# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 21-07-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। আজিৰে পৰা আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিবেশন ফলপ্ৰসূ হোৱাৰ লগতে ইয়াৰ আলোচনাসমূহে দেশৰ গণতন্ত্ৰ শক্তিশালী কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰে।

২। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু অপাৰেচন সিন্দূৰ সম্পৰ্কে তাৎক্ষনিক আলোচনাৰ দাবীৰে বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংসদৰ উভয় সদনৰ কাৰ্যসূচী কাইলৈ পৰ্যন্ত স্থগিত ৰখা হৈছে।

৩। সদনত আজি বহন পত্ৰ বিধেয়ক ২০২৫ গৃহীত হয়।

৪। বোম্বে উচ্চ ন্যায়ালয়ে ২০০৬ চনত মুম্বাইত সংঘটিত ৰে'ল বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত ১২ গৰাকী লোকক দোষমুক্ত কৰিছে। ***আৰু***

৫ । বাংলাদেশ বায়ুসেনাৰ এখন বিমান দুৰ্ঘটনাৰ ফলত কমেও ১৯ গৰাকী লোকৰ মৃত্যু আৰু এশতকৈও অধিক লোক আহত হয়।

০০০০

সংসদৰ বৰ্ষাকালীন অধিবেশন ফলপ্ৰসূ হোৱাৰ লগতে ইয়াৰ আলোচনাসমূহে দেশৰ গণতন্ত্ৰ শক্তিশালী কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰে। আজি আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিবেশনৰ আৰম্ভণিতে সংবাদ মাধ্যমৰ আগত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে সংসদৰ এই অধিবেশন আমাৰ সামূহিক প্ৰাপ্তি উদযাপনৰ গৌৰৱময় মুহুৰ্তত অনুষ্ঠিত হৈছে। অধিবেশনৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে সকলো দলৰ সাংসদসকলৰ সহযোগিতা কামনা কৰে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে ভাৰতৰ সেনা বাহিনীৰ শক্তি সন্দৰ্ভত সমগ্ৰ বিশ্ব অৱগত হৈছে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত সন্ত্ৰাসবাদৰ মূল পৰিকল্পনাকাৰী আৰু সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া গুপ্তস্থানসমূহ ধ্বংস কৰাৰ ক্ষেত্ৰত ভাৰতীয় সেনাই এশ শতাংশ সফলতা লাভ কৰিছে। তেওঁ কয়, যে ভাৰতীয় সেনাই তেওঁলোকৰ অভিযান ২০ মিনিটতে সমাপ্ত কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে পেহেলগামত সংঘটিত জঘন্য সন্ত্ৰাসবাদী আক্ৰমণে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে ইয়াৰ মূল অভিকেন্দ্ৰৰ  বিষয়েও অৱগত হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে দলীয় সীমাবদ্ধতাকো নেওচি ৰাষ্ট্ৰৰ স্বাৰ্থত প্ৰায় সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে বিশ্বৰ কেইবাখনো দেশ ভ্ৰমণ কৰি সন্ত্ৰাসবাদক উদগণি দিয়া পাকিস্তানৰ ভূমিকা সন্দৰ্ভত আন্তৰাষ্ট্ৰীয় মঞ্চত সফলভাৱে উপস্থাপন কৰিবলৈ সমৰ্থ হৈছে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ভাৰতে সন্ত্ৰাসবাদ আৰু নক্সালবাদ আদি বিভিন্ন হিংসাত্মক প্ৰত্যাহ্বান সহ্য কৰি আহিছে যদিও বৰ্তমান নক্সালবাদ বা মাওবাদৰ প্ৰভাৱ সংকোচিত হৈ আহিছে। দেশৰ বহু জিলা বৰ্তমান নক্সালবাদৰ পৰা মুক্ত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়।

দেশৰ প্ৰতিৰক্ষা খণ্ডত হৈ থকা গৱেষণা আৰু বিকাশে যুৱ প্ৰজন্মৰ কৰ্মসংস্থাপন আৰু উদ্ভাৱনৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ পথ প্ৰশস্ত কৰিছে। তেওঁ কয়, যে ইউ পি আইৰ জৰিয়তে বিশ্বৰ বিভিন্ন দেশত ডিজিটেল ইণ্ডিয়াই ঠাঁৰ সৃষ্টি কৰিছে। বিশ্বৰ ফিনটেকৰ ক্ষেত্ৰত ইউ পি আই এটা নতুন নাম হিচাপে স্বীকৃত হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত বৰ্তমান বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতিৰ দিশে আগবাঢ়িছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বৰ্ষাকাল উদ্ভাৱন আৰু সম্ভাৱনাৰ প্ৰতীক। তেওঁ কয়, যে বছৰৰ আগলী বতৰা কৃষিকাৰ্যত সহায়ক হৈছে। শ্ৰীমোদীয়ে কয়, যে শেহতীয়া তথ্য মতে বিগত ১০ বছৰৰ তুলনাত এইবেলি জল সংৰক্ষণৰ পৰ্যায় ৩ গুণলৈ বৃদ্ধি পাইছে। আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ শেহতীয়া গোলকীয় সন্মিলনত ভাৰতৰ প্ৰধান সফলতাসমূহত আলোকপাত কৰে। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাৰ প্ৰতিবেদন মতে ভাৰতৰ ৯০ কোটিতকৈও অধিক লোকে সামাজিক নিৰাপত্তা লাভ কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা তথ্যৰ ভিত্তিত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে ভাৰত বৰ্তমান বৰ্ষাকালীন চকুৰোগ ট্ৰেক'মাৰ পৰা মুক্ত হৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ এই স্বীকৃতিয়ে ৰাজহুৱা স্বাস্থ্যৰ ক্ষেত্ৰত ভাৰতৰ বিশেষ সফলতাকে সুচিত কৰিছে।

০০০০

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু অপাৰেচন সিন্দূৰ সম্পৰ্কে তাৎক্ষনিক আলোচনাৰ দাবীৰে বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংসদৰ উভয় সদনৰ কাৰ্যসূচী আজিৰ দিনটোৰ বাবে স্থগিত ৰখা হৈছে। সদনৰ কাম-কাজ তৃতীয়বাৰৰ বাবে স্থগিত ৰখাৰ পাছত বিয়লি চাৰি বজাত সদন পুনৰ মিলিত হোৱাৰ পাছতে কংগ্ৰেছ, ডি এম কে, সমাজবাদী দলকে ধৰি বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদী ধ্বনিৰে হুলস্থুলৰ সৃষ্টি কৰে। অধ্যক্ষই চৰকাৰ আলোচনাৰ বাবে সাজু বুলি জনোৱাৰ লগতে বিৰোধীপক্ষৰ সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰি সদনৰ কাম-কাজ কাৰ্যসূচী অনুসৰি চলোৱাত সহায় কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত অধ্যক্ষই সদনৰ কামকাজ কাইলৈ পৰ্যন্ত স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ইয়াৰ পূৰ্বে সদনৰ কামকাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে আৰু অন্যান্য দলৰ সদস্যসকলে ধ্বনি অব্যাহত ৰাখে আৰু সদনৰ মজিয়ালৈ উঠি যায়। অধ্যক্ষই বিৰোধীপক্ষৰ সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ আৰু শূন্যকালত ভাগ ল'বলৈ বাৰে বাৰে অনুৰোধ জনায়। ইয়াৰ মাজতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কেন্দ্ৰীয় চৰকাৰ আলোচনাৰ বাবে সাজু হোৱাৰ কথা জানিবলৈ দিয়ে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও কয়, যে যি কোনো বিষয় লৈ আলোচনা কৰিবলৈ চৰকাৰ সম্পূৰ্ণ ৰূপে সাজু। ইয়াৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত অধ্যক্ষই সদনৰ কামকাজ দিনৰ দুই বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত নিম্ন সদনে অলপতে দেহাৱসান ঘটা আঠগৰাকী প্ৰাক্তন সাংসদৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। সদনে লগতে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু এয়াৰ ইণ্ডিয়াৰ

বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোক সকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিভিন্ন ৰাজ্যত প্ৰাকৃতিক বিপৰ্যয়ত ধন-জন হানিৰ ঘটনাক লৈও সদনে গভীৰ শোক প্ৰকাশ কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ সফল যাত্ৰাৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ্‌ৰ' আৰু গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাক অভিনন্দন জনায়। সদনত এই সাফল্যক লৈ বিষয়দভাৱে আলোচনা হ'ব বুলি তেওঁ ঘোষণা কৰে।

০০০০

ন্যায়াধীশ যশৱন্ত বাৰ্মা পদৰ পৰা অপসাৰণ কৰাৰ দাবীৰে সংসদৰ কেইবাগৰাকীও সদস্যই আজি লোকসভাৰ অধ্যক্ষ ওম বিৰলাক স্মাৰক পত্ৰ দাখিল কৰে। সংবিধানৰ ১২৪, ২১৭ আৰু ২১৮ নম্বৰ অনুচ্চেদৰ আধাৰত লোকসভাৰ মুঠ ১৪৫ গৰাকী আৰু ৰাজ্যসভাৰ ৫০ গৰাকীতকৈও অধিক সদস্যই ন্যায়াধীশ বাৰ্মাৰ বিৰুদ্ধে মহাভিযোগৰ প্ৰস্তাৱত স্বাক্ষৰ কৰে। উল্লেখযোগ্য যে ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বাসভৱনত নগদ ধন উদ্ধাৰ হোৱা ঘটনা সন্দৰ্ভত সাংসদ সকলে তেওঁৰ অপসাৰণৰ বিৰুদ্ধে এই স্মাৰক পত্ৰ স্বাক্ষৰ কৰে। এই সন্দৰ্ভত সংসদত আলোচনা অনুষ্ঠিত হ'ব বুলিও জানিব পৰা গৈছে।

০০০০

সদনত আজি ৰাজ্যসভাৰ অনুমোদনৰ লগে লগে বহন পত্ৰ বিধেয়ক ২০২৫ গৃহীত হয়। লোকসভাই ইতিমধ্যে এই বছৰৰ মাৰ্চ মাহতে এই বিধেয়কখন গৃহীত কৰিছিল। নৌবহন নথিপত্ৰৰ আইনী ৰূপৰেখা সৰল আৰু উন্নত কৰি তোলাৰ উদ্দেশ্যে এই বিধেয়কখন গ্ৰহণ কৰা হৈছে। নতুন বিধেয়কখন ১৮৫৬ চনৰ ভাৰতীয় বহনপত্ৰ বিধেয়কৰ পৰিৱৰ্তে ব্যৱহৃত হ'ব। উল্লেখযোগ্য যে বহনপত্ৰ বিধেয়ক হৈছে মালবাহী প্ৰতিষ্ঠানসমূহে সামগ্ৰী সৰবৰাহকাৰী জাহাজলৈ জাৰি কৰা বিশেষ নথি পত্ৰ য'ত সৰবৰাহ কৰা সামগ্ৰীসমূহৰ ধৰণ, পৰিমাণ, অৱস্থা আৰু লক্ষ্যস্থানৰ কথা উল্লেখ কৰা থাকে। আজি ৰাজ্যসভাত এই বিধেয়কখনৰ সন্দৰ্ভত হোৱা আলোচনাত অংশ লৈ কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ২০১৪ চনত নৰেন্দ্ৰ মোদী চৰকাৰ শাসনলৈ অহাৰ পাছৰে পৰাই তেওঁৰ মন্ত্ৰালয়ত বিশেষ দৃষ্টিভংগীৰে সুপৰিকল্পিত আঁচনিসমূহ বাস্তৱায়িত হৈছে আৰু সাগৰমালা আঁচনিৰ জৰিয়তে ৮০০ ৰো অধিক প্ৰকল্প চিনাক্ত কৰা হৈছে। ইতিমধ্যে ৫ লাখ কোটি টকাৰো অধিক ব্যয় সাপেক্ষে এই প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰতে সম্পূৰ্ণ কৰিবলৈ অবিৰত প্ৰচেষ্টা চলাই থকা হৈছে বুলিও শ্ৰীসোণোৱালে জনিবলৈ দিয়ে। সাগৰমালা আঁচনিৰ জৰিয়তে দেশৰ সকলোবোৰ বন্দৰৰ আধুনিকীকৰণ কৰি সেইসমূহৰ সামৰ্থ বৃদ্ধি কৰাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা বুলিও শ্ৰীসোণোৱালে লগতে কয়। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনৰ ভিতৰত আমাৰ দেশক বিশ্বৰ শীৰ্ষ ৫ খন জাহাজ নিৰ্মাতা দেশৰ এখন দেশৰূপে গঢ়ি তুলিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলিও শ্ৰীসোণোৱালে প্ৰকাশ কৰে। আলোচনা আৰম্ভ কৰি বিজেপিৰ শম্ভু চৰণ পেটেলে ভাৰতক বিশ্বৰ ভিতৰতে সবাতোকৈ দ্ৰুত গতিত আগবঢ়া অৰ্থনীতিৰ ৰাষ্ট্ৰ হিচাপে অভিহিত কৰে। আম আদমী পাৰ্টীৰ ড° অশোক কুমাৰ মিট্টালে নতুন বিধেয়কখনৰ প্ৰতি সমৰ্থন আগবঢ়ায়। এ আই এ ডি এম কেৰ এম থম্বিডুৰাই, বিজেডিৰ নিৰঞ্জন বিছি আৰু বি আৰ এছৰ ৰবীচন্দ্ৰ বদ্দিৰাজুৰে আলোচনাত ভাগ লয়।

০০০০

বোম্বে উচ্চ ন্যায়ালয়ে উপযুক্ত তথ্য প্ৰমাণৰ অভাৱত ২০০৬ চনত মুম্বাইত সংঘটিত ৰে'ল বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত ১২ গৰাকী লোকক দোষমুক্ত কৰিছে। ন্যায়াধীশ অনিল কিলৰ আৰু শ্যাম চন্দকৰ বিশেষ বিচাৰপীঠে এই ঘটনাত অভিযুক্ত তথা মৃত্যুদণ্ডৰে দণ্ডিত ৫ গৰাকী আৰু যাৱজ্জীৱন কাৰাদণ্ডৰ আদেশ লাভ কৰা ৭ গৰাকী লোকৰ বিৰুদ্ধে উপযুক্ত তথ্য প্ৰমাণ দাখিল কৰিব নোৱাৰাত অভিযুক্তসকলক মুকলি কৰি দিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে ২০০৬ চনৰ ১১ জুলাইত মুম্বাইত হোৱা এই আক্ৰমণৰ ঘটনাত ১৮০ জনতকৈও অধিক লোকৰ মৃত্যু হোৱাৰ লগতে শতাধিক লোক আহত হৈছিল। ঘটনাৰ ১৯ বছৰৰ পাছত আদালতে এই ৰায় দিয়ে।

০০০০

বাংলাদেশ বায়ুসেনাৰ এখন জেট প্ৰশিক্ষণ বিমানৰ দেশখনৰ মাইলষ্টন কলেজ চৌহদত হোৱা দুৰ্ঘটনাৰ ফলত চালককে ধৰি কমেও ১৯ গৰাকী লোকৰ মৃত্যু আৰু এশতকৈও অধিক লোক আহত হয়। আজি দিনৰ প্ৰায় ডেৰ বজাত বাংলাদেশ বায়ু সেনাৰ এফ ছেভেন বিমানখন দুৰ্ঘটনাত পতিত হয়। বাংলাদেশ সেনা আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে উদ্ধাৰ অভিযান চলাই থকাৰ সমান্তৰালকৈ দুৰ্ঘটনাত আহত লোকসকলৰ চিকিৎসাৰ বাবে ০১৯৪৯ ০৪৩৬৯৭ হেল্পলাইন নম্বৰটো মুকলি কৰিছে। উল্লেখযোগ্য যে এই দুৰ্ঘটনাত নিহত লোকসকলৰ বাবে বাংলাদেশ চৰকাৰে এদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে।

০০০০

ধাৰাষাৰ বৰষুণৰ বাবে আজি এয়াৰ ইণ্ডিয়াৰ A12744 A320 নম্বৰৰ বিমানখন মুম্বাই বিমান বন্দৰত অৱতৰণৰ সময়তে ৰানৱেৰ পৰা বাহিৰ হৈ যায়। কেৰালাৰ কোচিৰ পৰা মুম্বাই অভিমুখে যাত্ৰা কৰা বিমানখনৰ প্ৰতিকূল বতৰৰ বাবে অৱতৰণৰ সময়ত ৩ টা চকা বিস্ফোৰিত হোৱাৰ লগতে ইঞ্জিনৰো ক্ষতি হয়। অথচ এই অসুবিধা সত্বেও টাৰ্মিনেলৰ প্ৰৱেশপথত বিমানখন সুৰক্ষিতভাৱে অৱতৰণ কৰিবলৈ সমৰ্থ হয় আৰু ক্ৰিউ সদস্যকে ধৰি আটাইবোৰ যাত্ৰী নিশ্চিত বিপদৰ পৰা ৰক্ষা পৰে।

০০০০

সমাপ্ত